HL (24-10-2025) NSD/24/10

১। নিয়োগ মেলাসমূহ দেশৰ যুৱ প্ৰজন্মৰ সপোন পূৰণৰ মাধ্যমৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষৰ বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে মহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণ জৰুৰী বুলি ৰাষ্ট্ৰপতি মত পোষণ কৰিছে।

৩। কেন্দ্ৰীয় বিত্ত নিৰ্মলা সীতাৰমনে জি এছ টি ব্যৱস্থাৰ পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰে কৰ আৰোপন প্ৰণালীক অধিক দক্ষ, যুক্তিসংগত আৰু বিকাশমুখী কৰি তোলা বুলি মন্তব্য কৰিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জয়ছলমেৰৰ সেনা কমাণ্ডাৰসকলৰ সন্মিলনত অধ্যক্ষতা কৰে।

**আৰু**

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলিত এদিনীয়া তৃতীয় তথা অন্তিমখন খেল কাইলৈ ছিদনীত অনুষ্ঠিত হ'ব।

০০০০০

New PM Rozgar MELA (24-10-2025) NSD 1910

নিয়োগ মেলাসমূহ দেশৰ যুৱ প্ৰজন্মৰ সপোন পূৰণৰ মাধ্যমৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত সপ্তদশ ৰাষ্ট্ৰীয় নিয়োগ মেলাক উদ্দেশি দিয়া এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মত ব্যক্ত কৰে। অনুষ্ঠানত নিয়োগ মেলা উদ্যমৰ অধীনত বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। শ্ৰীমোদীয়ে কয় যে অকল এই নিযুক্তি মেলাসমূহৰ জৰিয়তে ১১ লাখৰো অধিক নিযুক্তিপত্ৰ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে ৩ কোটি ৫০ লাখ যুৱক-যুৱতীক কৰ্মসংস্থানৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে বিকশিত ভাৰত যোজনা মুকলি কৰে। শ্ৰীমোদীয়ে কয় যে বিগত ১১ বছৰত দেশ বিকশিত ভাৰত গঢ়াৰ সংকল্পৰে আগবাঢ়িছে আৰু এই ক্ষেত্ৰত যুৱক-যুৱতীসকলে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে কয় যে বিজেপি-এনডিএ চৰকাৰে যুৱ প্ৰজন্মক সবল কৰি তোলাত অগ্ৰাধিকাৰ দি আহিছে। ষ্টীল ইণ্ডিয়া মিছনৰ লেখিয়া অভিযানসমূহৰ অধীনত যুৱক-যুৱতীসকলক দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু ৰাষ্ট্ৰীয় সংস্থান সেৱা মঞ্চৰ

লেখিয়া উদ্যমসমূহে যুৱ প্ৰজন্মক নতুন সুযোগৰ সৈতে সংযুক্ত কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে অকল এই মঞ্চৰ জৰিয়তে ৭ কোটিৰো অধিক খালী পদৰ তথ্য যুৱক-যুৱতীসকলৰ সৈতে বিনিময় কৰা হৈছে। শ্ৰীমোদীয়ে লগতে যুৱ প্ৰজন্মৰ বাবে বৃহৎ পদক্ষেপ পৰিগণিত হোৱা **প্ৰতিভা সেতু** পোৰ্টেলৰ বিষয়েও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰে দেশৰ যুৱ প্ৰজন্মৰ শক্তিক ৰাষ্ট্ৰৰ সবাতোকৈ বৃহৎ শক্তি বুলি গণ্য কৰে। তেওঁ কয় যে দেশৰ যুৱক-যুৱতীসকলৰ বিষয়ে বিবেচনা কৰিয়েই ভাৰতৰ বিদেশ নীতি প্ৰস্তুত কৰা হৈছে। তেওঁ লগতে কয় যে ভাৰতৰ কূটনৈতিক আলোচনা আৰু গোলকীয় বুজাবুজিৰ চুক্তিতো যুৱ প্ৰজন্মৰ প্ৰশিক্ষণ, দক্ষতা বিকাশ আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ০০০০০০

President-Women (24-10-2025) NSD 1910

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষৰ বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে মহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণ জৰুৰী বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে। কেৰালাৰ এৰ্নাকুলামত আজি ছেইণ্ট টেৰেছা মহাবিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে মহিলাৰ নেতৃত্বৰ সমাজ অধিক মানৱীয় আৰু ফলপ্ৰসূ হ'ব।

ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত ৰাষ্ট্ৰগঠন আৰু আৰ্থসামাজিক সংস্কাৰৰ ক্ষেত্ৰত উৎকৃষ্টতাৰ নিদৰ্শন দাঙি ধৰা কেৰালাৰ মহিলাসকলৰ কথা স্মৰণ কৰে। বিগত কেইবা দশকো ধৰি মহিলাসকলক শিক্ষিত আৰু সবল কৰি তোলাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে চলোৱা প্ৰচেষ্টাৰ তেওঁ শলাগ লয়। তেওঁ লগতে মহাবিদ্যালয়খনৰ শতবাৰ্ষিকীৰ প্ৰতীকচিহ্ন উন্মোচন কৰে। ০০০০০

Rajnath-Commanders (24-10-2025) NSD 1910

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জয়ছলমেৰৰ সেনা কমাণ্ডাৰসকলৰ সন্মিলনত অধ্যক্ষতা কৰে। সেনা কমাণ্ডাৰসকলৰ সন্মিলন সেনাবাহিনীৰ জ্যেষ্ঠ নেতৃত্বৰ বাবে সুৰক্ষা পৰিস্থিতিৰ মূল্যায়ন, পৰিচালন অগ্ৰাধিকাৰ সম্পৰ্কে আলোচনা কৰা আৰু গুৰুত্বপূৰ্ণ নীতিগত সিদ্ধান্ত গ্ৰহণৰ এখন উচ্চ পৰ্যায়ৰ প্ৰতিষ্ঠানগত মঞ্চ। সন্মিলনত প্ৰতিৰক্ষাগৰাকীয়ে চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানৰ সৈতে দেশৰ সাম্প্ৰতিক সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰে আৰু সেনাবাহিনীৰ অভিযান সম্পৰ্কীয় সামৰ্থ্য বৃদ্ধিৰ কৌশলৰ বিষয়ে আলোচনা কৰে। শ্ৰীসিঙে লগতে সৈনিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সহায়ৰ বাবে নমন কেন্দ্ৰ, সৈনিক যাত্ৰী মিত্ৰ এপ্ আৰু উপকৰণ হেল্পলাইন এপ্ মুকলি কৰে। সন্মিলনৰ পূৰ্বে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তনোতমাতা মন্দিৰত পূজা-অৰ্চনা কৰে আৰু পৰম্পৰাগত অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ লগতে মন্দিৰ চৌহদত থকা ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ বিস্ফোৰণ নোহোৱা বোমা নিৰীক্ষণ কৰে। oooooo

Ayush Seminer (24-10-2025) NSD 1910

আয়ুষ মন্ত্ৰালয় আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে ভূৱনেশ্বৰত আয়ুৰ্বেদৰ জৰিয়তে যকৃত, অগ্ন্যাশয়, পিত্তাশয়জনিত আদি ৰোগ সন্দৰ্ভত দুদিনীয়াকৈ ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। আয়ুৰ্বেদত বৈজ্ঞানিক প্ৰণালী আৰু অধিক সমৃদ্ধ কৰাই হৈছে এই সন্মিলনৰ মুখ্য উদ্দেশ্য। এই দুদিনীয়া সন্মিলনে যকৃৎ আৰু পিত্তনলীজনিত স্বাস্থ্যৰ লগতে আন পাঁচটা মূল গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিব। ০০০০০০০

Cricket (24-10-2025) NSD 1910

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলিত এদিনীয়া তৃতীয় তথা অন্তিমখন খেল কাইলৈ ছিদনীত অনুষ্ঠিত হ'ব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব। অষ্ট্ৰেলিয়াই ইতিমধ্যে প্ৰথম দুখন খেলত জয়লাভ কৰি ২-০ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। শীৰ্ষ বাছনিপ্ৰাপ্ত ভাৰতীয় দলটোৱে ৮খন খেলত জয়লাভ কৰাৰ পাছত একেৰাহে দুখন খেলত পৰাজিত হৈছে। এদিনীয়া ক্ৰিকেটত প্ৰথমবাৰৰ বাবে শূন্যত আউট হোৱা বিৰাট কোহলীৰ ফৰ্ম ভাৰতৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। নৱনিযুক্ত অধিনায়ক শুভমন গীলেও বেটেৰে বিশেষ প্ৰদৰ্শন কৰিব পৰা নাই। ০০০০০

Bihar Election (24-10-2025) NSD 1910

বিহাৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা আৰু যুৱ ভোটদাতাসকলৰ ওপৰত বিশেষ গুৰুত্ব অৰোপ কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া প্ৰশান্ত কুমাৰে কয় যে এছ্ ভি ই ই পি কাৰ্যসূচীৰ অধীনত ভোটদাতা সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ছেল্ফি উঠাৰ বাবে নিৰ্দিষ্ট স্থানৰ ব্যৱস্থা আৰু ৰেপ ছঙৰ প্ৰসাৰৰ দৰে উদ্যম গ্ৰহণ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। অতিৰক্ত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয় যে সমাজৰ বিভিন্ন শ্ৰেণীৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে মহিলা, দিব্যাংগ, যুৱ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা ভোটগ্ৰহণ কেন্দ্ৰত স্থাপন কৰা হ'ব। তেওঁ লগতে কয় যে নিৰ্বাচনৰ সময়ত সম্প্ৰীতি বিনষ্ট কৰিব পৰা ভুৱা বাতৰি, বিভ্ৰান্তিকৰ তথ্য আৰু এ-আই প্ৰযুক্তিৰে প্ৰস্তুত কৰা বিষয়বস্তুৰ ওপৰত চোকা নজৰ ৰখাৰ বাবে সুকীয়া ছ'চিয়েল মিডিয়া দল গঠন কৰা হৈছে। ০০০০০০

Rev Nirmala GST (24-10-2025) NSD 1910

কেন্দ্ৰীয় বিত্ত নিৰ্মলা সীতাৰমনে জি এছ্ টি ব্যৱস্থাৰ পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰে কৰ আৰোপন প্ৰণালীক অধিক দক্ষ, যুক্তিসংগত আৰু বিকাশমুখী কৰি তোলা বুলি মন্তব্য কৰিছে। নিয়মিত কৰদাতাসকলৰ বাবে জীৱন সহজলভ্য কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি গাজিয়াবাদত কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ ভৱন উন্মোচন কৰি দক্ষ কৰ প্ৰণালীয়ে অৰ্থনৈতিক সন্মিলন আৰু অধিক সমৃদ্ধশালী কৰিব বুলিও উল্লেখ কৰে। জি এছ্ টি পৰিষদে জি এছ্ টিৰ পঞ্জীয়ন প্ৰক্ৰিয়া সহজ, নিৰৱিচ্ছিন্ন আৰু অধিক স্বচ্ছ কৰি তুলিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীসীতাৰমনে লগতে কয় যে অহা মাহৰ ১ তাৰিখৰ পৰা এই সহজ জি এছ্ টি পঞ্জীয়ন আঁচনি কাৰ্যকৰী হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে যিসকল আবেদনকাৰীৰ মাহিলী কৰৰ দেনা-পাওনা আঢ়ৈ লাখ টকাৰ সীমা অতিক্ৰম নহয় তেওঁলোকৰ স্বয়ংক্ৰিয় পঞ্জীয়ন কৰ্মদিনৰ তিনি দিনৰ ভিতৰত অনুমোদিত কৰা হ'ব। এই পদ্ধতিয়ে ৯৬ শতাংশ নতুন আবেদনকাৰীক লাভান্বিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে। কৰদাতাসকলৰ বাবে সময় মতে আৰু মানসম্পন্ন

সেৱা প্ৰদান কৰিবলৈ জি এছ্ টি সেৱা কেন্দ্ৰসমূহ সহজলভ্য আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰীৰে সুন্দৰভাৱে পৰিচালতি হ'ব বুলিও তেওঁ লগতে আশ্বাস প্ৰদান কৰে। oooooo

Forex (24-10-2025) NSD 1910

দেশৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ প্ৰায় ৪৫০ কোটি আমেৰিকান ডলাৰ বৃদ্ধি পাই ৭২ হাজাৰ কোটি ডলাৰৰো অধিক হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা সাপ্তাহিক পৰিসংখ্যা অনুসৰি যোৱা সপ্তাহত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা সোণৰ পৰিমাণ ৬১৮ কোটি ডলাৰ বৃদ্ধি পাই ১০ হাজাৰ ৮০০ কোটি ডলাৰ হয়গৈ। ০০০০০

Piyush-Barlin (24-10-2025) NSD 1910

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি জাৰ্মানীৰ বাৰ্লিনত অনুষ্ঠিত বাৰ্লিন গোলকীয় আলোচনাৰ তৃতীয় সংস্কৰণত অংশগ্ৰহণ কৰে। শ্ৰীগোৱেলে সামাজিক মাধ্যমযোগে কয় যে ভাৰতে বাণিজ্যিক সহযোগিতাৰ বিষয়টোক দীৰ্ঘকালীন আৰু পাৰস্পৰিক বিকাশৰ দৃষ্টিৰে চায়। তেওঁ কয় যে ভাৰতত গোলকীয় কোম্পানীসমূহৰ বাবে অপাৰ সুযোগৰ সৃষ্টি হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে বাৰ্লিনত আয়োজিত ব্যৱসায় কাণ্ডাৰীসকলৰ ঘূৰণীয়া মেজমেলত জাৰ্মানীৰ কেইবাটাও আগশাৰী কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াক সাক্ষাৎ কৰে। শ্ৰীগোৱেলে কয় যে সহযোগীমূলক নীতি ব্যৱস্থা, শক্তিশালী উদ্ভাৱন আৰু উদ্যমশীলতাই ভাৰতবৰ্ষ বিশ্বৰ সবাতোকৈ আকৰ্ষণীয় বিনিয়োগ থলীসমূহৰ অন্যতম কৰি তুলিছে।

০০০০০